**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। কিছু সময়ৰ পাছতে লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ লক্ষ্যৰে গুৱাহাটীত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমন। কাইলৈ শ্ৰী মোদীৰ নলবাৰীৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ।

২। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ কেইবাটাও স্থানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰচাৰ অভিযান। যোৰহাটত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ ৰোড শ্ব'।

৩। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ মনোনয়ন পত্ৰ দাখিল।

৪। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৩ বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱা পৰীক্ষাত অসমৰ কেইবাগৰাকীও শিক্ষাৰ্থীৰ সফলতা।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি।

০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দেশৰ বাকী অংশৰ লগতে অসমতো বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে কিছুসময়ৰ পাছতে গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰৰ পৰা কইনাধৰালৈ যাত্ৰা কৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও পথত বাণিজ্যিক যান-বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি আজি বিয়লি ৩ বজাৰ পৰা নিশা ১০ বজালৈকে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোড আৰু ডি ছে ৰোডত বাণিজ্যিক সামগ্ৰী কঢ়িওৱা কোনো ধৰণৰ বাহন চলাচল কৰিব নোৱাৰিব। আনহাতে, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোড আৰু জি এছ ৰোডত মন্থৰ গতিৰ যান-বাহন চলাচলত বাধা কৰা হৈছে বুলি গুৱাহাটী উপ আৰক্ষী আয়ুক্তৰ যান-বাহন শাখা কাৰ্যালয়ৰ পৰা জানিবলৈ দিছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। এই কাৰ্যসূচীক কেন্দ্ৰ কৰি নলবাৰী জিলাত ব্যাপক প্ৰস্তুতি অব্যাহত আছে।

ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ১৮ এপ্ৰিলত কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা আছে। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীৰ জেংৰাইমুখৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইপিনে ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া বিধানসভা সমষ্টিত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁৰ লগত ৰাজ্য চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণো উপস্থিত থাকে। ইয়াৰ লগতে শ্ৰীসোণোৱালে নাহৰকটীয়াত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। আনহাতে ডিব্ৰুগড় লোকসভা সমষ্টিৰ আম আদমী পাৰ্টীৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে তিনিচুকীয়া জিলাৰ মাকুম বিধানসভা সমষ্টিত প্ৰচাৰ অভিযান চলায়।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি যোৰহাটৰ তিতাবৰত উপস্থিত হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলায়। ইপিনে, তৃণমূল কংগ্ৰেছৰ সভানেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কাইলৈ বৰাক উপত্যকাৰ শিলচৰত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব।

ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে বৰপেটাতো নিৰ্বাচনী প্ৰচাৰ অভিযানে তীব্ৰগতি লাভ কৰিছে। বৰপেটাৰ আকাশবাণীৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এই বিষয়ে এনেদৰে কয় -

**বাইট**

গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত তথা বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰাৰ্থীগৰাকীৰ সৈতে কংগ্ৰেছ নেত্ৰী অলকা লাম্বা, কংগ্ৰেছৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, সাংসদ অজিত কুমাৰ ভূঞা আদি উপস্থিত থাকে। আনহাতে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি কোকৰাঝাৰ জিলাত তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

উল্লেখযোগ্য যে অহা ১৯ এপ্ৰিলত ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰাৰ্থীসকলৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। সেই অনুসাৰে কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট নিৰ্বাচনী জিলাত বিভিন্ন দলৰ প্ৰাৰ্থীসকলৰ হৈ তাৰকা প্ৰচাৰকসকলে কাইলৈৰ ভিতৰত তেওঁলোকৰ প্ৰচাৰ অভিযান সমাপন কৰিব।

০০০০০০০০

ৰাজ্যখনৰ প্ৰথম পৰ্যায়ত ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হ'বলগীয়া জিলাসমূহৰ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰাৰ উপৰি এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯ এপ্ৰিলত নিৰ্বাচন হবলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত নিৰ্বাচনী পৰিপ্ৰেক্ষিতত ১৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সুৰাজাতীয় সামগ্ৰী বিক্ৰী কৰা পাইকাৰী আৰু খুচুৰা বিপনী তথা দেশীয় সুৰাৰ দোকানসমূহ বন্ধ থাকিব। এই আদেশ উলংঘাকাৰীৰ বিৰুদ্ধে অসম আবকাৰী আইনৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ইপিনে, ভোটগ্ৰহণ সুকলমে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে শোণিতপুৰ জিলাত নিৰ্বাচনী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। তেজপুৰ উচ্চতৰ মাধ্যমিক চৰকাৰী বিদ্যালয় আৰু তেজপুৰ মহাবিদ্যালয়ত আয়োজিত এই কাৰ্যসূচীত ৫ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া-কৰ্মচাৰীক তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০০

লোকসভা নিৰ্বাচনত ভোটদাতাৰ অংশগ্ৰহণ সৰ্বাত্মক কৰি তোলাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে নিৰ্বাচনী প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৰপেটা জিলাত আজিৰেপৰা পোষ্টেল বেলটেৰে ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। জিলাখনত কৰ্মৰত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিবোৰৰ ভোটদাতাসকলৰ বাবে এই ভোটগ্ৰহণ অনুষ্ঠিত কৰা হৈছে। ইয়াৰ বাবে বৰপেটা জিলা পৰিষদৰ কাৰ্যালয় আৰু বাৰাদিৰ আৰক্ষী নিবেশত দুটা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। জিলা নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্তই কয় যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৰপেটা জিলাত ৩৩ গৰাকী অসামৰিক বিষয়া-কৰ্মচাৰী আৰু দুগৰাকী আৰক্ষীয়ে পোষ্টেল বেলটেৰে ভোটদান কৰিব। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও পোষ্টেল বেলটেৰে ভোটগ্ৰহণ কৰা হ'ব বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিছে।

একেদৰে কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ হাওৰাঘাট আৰু ডিফু বিধানসভা সমষ্টিতো পোষ্টেল বেলটৰ ভোটদান প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। অহা ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ডিফু লোকসভা সমষ্টিৰ নিৰ্বাচনত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে আজি জিলা আয়ুক্ত কাৰ্যালয়ত গঠন কৰা পোষ্টেল বেলট কোষত গৈ তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচনত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে অহা ২৬ এপ্ৰিললৈকে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সুবিধা লাভ কৰিব বুলি জিলাখনৰ ৰিটাৰ্নিং বিষয়াগৰাকীয়ে জানিবলৈ দিছে।

oooooooo

————কেন্দ্ৰীয় লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। ৰাজ্যৰ কেইবাগৰাকীও যুৱক-যুৱতীয়ে এই তালিকাত স্থান লাভ কৰিছে। ইয়াৰ ভিতৰত অভিজ্ঞান হাজৰিকাই ১৭২ সংখ্যক স্থান, ৰিকি লহকৰ প্ৰধানে ২৩০ সংখ্যক স্থান, ঈশ্বৰী ডেকাই ৩২০ সংখ্যক স্থান, ঋতুৰাজ শৰ্মাই ৪৬২ সংখ্যক স্থান, ভাস্বত শইকীয়াই ৫৫২ সংখ্যক স্থান, কল্লোল হাজৰিকাই ৯৯২ সংখ্যক স্থান আৰু আজমল হুছেইনে ১০১৩ সংখ্যক স্থান লাভ কৰিছে। প্ৰকাশিত তালিকা অনুসৰি সৰ্বভাৰতীয় পৰ্যায়ত লক্ষ্ণৌৰ আদিত্য শ্ৰীবাস্তৱে প্ৰথম স্থান অধিকাৰ কৰাৰ বিপৰীতে অনিমেষ প্ৰধানে দ্বিতীয় আৰু দ'নুৰু অনন্যা ৰেড্ডীয়ে তৃতীয় স্থান লাভ কৰিছে।

আজি ঘোষিত ফলাফল অনুসৰি ৫৫২ সংখ্যক স্থানপ্ৰাপ্ত নগাঁৱৰ ভাস্বত শইকীয়াই আকাশবাণীৰ সংবাদদাতাৰ আগত এইদৰে প্ৰকাশ কৰে।

**বাইট**

ooooooo

আজি অশোকাষ্টমী। চ'ত মাহৰ শুক্ল অষ্টমী তিথিত অশোকাষ্টমী পালন কৰা হয়। আজিৰ দিনটোত ব্ৰহ্মপুত্ৰ, গংগা আৰু যমুনাৰ ত্ৰিবেণী সংগম হয়। যাৰ বাবে মৃতকৰ অস্থি প্ৰদান, পিণ্ডদান তথা বৰলুইতত স্নান কৰিলে মোক্ষ প্ৰাপ্তি হয় বুলি লোক পৰম্পৰা চলি আহিছে। এই উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে অশ্বক্লান্ত দেৱালয়ৰ বিষ্ণুকুণ্ডত পিতৃ-মাতৃৰ পিণ্ডদান, অস্থি প্ৰদান আৰু স্নানৰ বাবে আজি অগণন লোকৰ সমাগম হয়।

ইপিনে, কামৰূপ জিলাৰ বিভিন্ন নৈ-উপনৈৰ ঘাটতো হাজাৰ হাজাৰ ভক্তৰ সমাগম হৈছে। জিলাখনৰ শুৱালকুছিৰ বালিচৰ, আমিনগাঁও, উত্তৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ লগতে ৰঙিয়াৰ জয়ন্তীপুৰৰ বৰলীয়া, বকোৰ জলজলী, ছয়গাঁৱৰ কলহী আদি নৈৰ ঘাটতো বহু লোকৰ সমাগম হয়।

আনহাতে, বস্ত্ৰনগৰী শুৱালকুছিত হাজোৰ শ্ৰী শ্ৰী মাধৱ প্ৰভুক ব্ৰহ্মপুত্ৰত স্নান কৰোৱাৰ ঐতিহ্যমণ্ডিত পৰম্পৰাক কেন্দ্ৰ কৰি বালিচৰত সাতদিনীয়া কাৰ্যসূচীৰে অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে।

নিমাতী ঘাটতো অশোকাষ্টমী উপলক্ষে অগণন ভক্তৰ সমাগম হোৱাৰ উপৰি বিভিন্ন ক্ষুদ্ৰ ব্যৱসায়ীয়ে ভিৰ কৰিছে। ৰাইজৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি নিমাতী আৰক্ষী চকীৰ বিষয়ববীয়াসকলে যাৱতীয় নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

আন আন জিলাৰ লগতে ধুবুৰীৰ নেতাই ধুবুনী গদাধৰ নৈৰ ঘাটত ভক্তসকলে স্নান কৰা পৰিলক্ষিত হয়। অশোকাষ্টমীৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবছৰো ধুবুৰীৰ মেলাঘাটত ১৫ দিনীয়া কাৰ্যসূচীৰে অশোকাষ্টমী মেলাৰ আয়োজন কৰা হৈছে। আনহাতে, জিলাখনৰ বিলাসীপাৰাৰ লগতে বিভিন্ন ঠাইৰ নৈ-উপনৈতো ভক্তসকলে ভিৰ কৰা পৰিলক্ষিত হৈছে।

oooooooo

আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো ৰাজ্যজুৰি তাঁতৰ বিহুৰূপে পালন কৰা হৈছে। ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে আজি গুৱাহাটীৰ আমবাৰীৰ বস্ত্ৰভৱনৰ বাকৰিত তাঁতৰ বিহু পালন কৰে। এই উপলক্ষে বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে পৰম্পৰাগত সাজ-সজ্জাৰে বস্ত্ৰভৱনত থকা তাঁতশালসমূহ নকৈ সজাই তোলাৰ লগতে চাকি-বন্তি জ্বলাই পূজা-অৰ্চনা কৰে। তাঁতৰ বিহু উপলক্ষে বিভাগটোত আজি বিহুসুৰীয়া গীত-মাত আৰু হুঁচৰিৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ সচিব দিলীপ কুমাৰ বৰাই বন্তি প্ৰজ্বলনেৰে

কাৰ্যসূচী মুকলি কৰে। অসম বস্ত্ৰশিল্প প্ৰতিষ্ঠানৰ জ্যেষ্ঠ শিক্ষক তথা বিশিষ্ট নিবন্ধকাৰ ৰবীন খাটনীয়াৰে **তাঁত বিহুৰ তাৎপৰ্য আৰু পৰম্পৰা** শীৰ্ষক বিষয়বস্তুৰ ওপৰত বিশেষ বক্তৃতা প্ৰদান কৰে। বিভাগীয় সঞ্চালক পৰাগমণি মহন্তই আদৰণি ভাষণত তাঁতৰ বিহু উদযাপনৰ উদ্দেশ্যৰ কথা উল্লেখ কৰে। তেওঁ অসমীয়া শিপিনীয়ে হাতে বোৱা গামোচা আৰু চাদৰ মেখেলা আদি ব্যৱহাৰ কৰিবলৈ উপস্থিত ৰাইজক আহ্বান জনায়।

আনহাতে ধৰ্মীয় পৰম্পৰা অনুসৰি মৰাণ জনগোষ্ঠীৰ লোকসকলৰ আজিৰে পৰা বিহু আৰম্ভ হৈছে। মৰাণসকলৰ বিহুৰ আজি উৰুকা আৰু কাইলৈ গৰু বিহু। উল্লেখযোগ্য যে, মৰাণসকলে চ'তৰ সংক্ৰান্তিত বিহু পালন নকৰে। তেওঁলোকৰ ব'হাগৰ প্ৰথম মঙলবাৰৰ পৰা বিহু পালন কৰাৰ নিয়ম আছে। তেওঁলোকে মঙলবাৰে উৰুকা আৰু বুধবাৰে গৰু বিহু পালন কৰাৰ পাছত বিহু নমোৱা কাৰ্যসূচীৰে মানুহ বিহু আৰম্ভ কৰি বিহু উৰুৱা কাৰ্যসূচীৰে বিহু উদযাপনৰ সামৰণি মাৰে। মৰাণসকলৰ ৰঙালী বিহু উপলক্ষে বিভিন্ন ঠাইত গছ তলৰ বিহু, ধৰ্ম হুঁচৰি, ৰাতি বিহুৰো আয়োজন কৰিছে। উজনি অসমৰ মৰাণ বসতিপ্ৰধান অঞ্চলসমূহত বিহুৰ বাবে উছৰমুখৰ পৰিবেশে বিৰাজ কৰিছে।

০০০০০০০০

অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী মাৰ্ঘেৰিটাৰ নামদাং এলেকাত আজি পুৱা সন্দেহযুক্ত আলফা উগ্ৰপন্থীয়ে আছাম ৰাইফলছৰ এটা পহৰাদাৰী দলৰ এখন বাহনক লক্ষ্য কৰি অতৰ্কিতে গুলীবৰ্ষণ কৰে। আছাম ৰাইফল্‌ছৰ জোৱানসকলে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে। সেনাবাহিনীৰ দলটো চাংলাঙলৈ গৈ থকা অৱস্থা এই গুলীয়াগুলিৰ ঘটনা সংঘটিত হয়। প্ৰতিৰক্ষা সূত্ৰৰ পৰা জানিব পৰা মতে  দুয়োপক্ষৰ মাজত হোৱা গুলীয়াগুলিত এজন জোৱান আহত হয়। আহত জোৱানজনক যোৰহাটৰ সামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। জোৱানজনৰ অৱস্থা বৰ্তমান সুস্থিৰ বুলি কোৱা হৈছে। আৰক্ষীৰ উচ্চ পদস্থ বিষয়াসকল ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। গুলীয়াগুলিৰ ঘটনাৰ পাছত সমগ্ৰ তিনিচুকীয়া জিলাৰ লগতে অসম-অৰুণাচল সীমান্তৱৰ্তী অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি  কলকাতা নাইট ৰাইডাৰ্ছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি। কলকাতাৰ ইডেন গাৰ্ডেনছত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, এতিয়ালৈকে অনুষ্ঠিত খেলসমূহৰ ওপৰত ভিত্তি কৰি ৰাজস্থান ৰয়েলছ ১০ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত থকাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছ ৮ পইণ্টেৰে দ্বিতীয় স্থানত আছে। ৰাজস্থান ৰয়েলছৰ হৈ সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা অসম সন্তান ৰিয়ান পৰাগ আই পি এলৰ চলিত সংস্কৰণৰ সৰ্বাধিক ৰান সংগ্ৰহকাৰী বেটাৰৰ স্বীকৃতি অৰেঞ্জ কেপৰ প্ৰবল দাবীদাৰ ৰূপে জিলিকি উঠিছে। তেওঁ বৰ্তমান ২৮৪ ৰানেৰে তালিকাৰ দ্বিতীয় স্থানত আছে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰাট কোহলিয়ে ৩৬১ ৰানেৰে বৰ্তমান অৰেঞ্জ কেপ নিজৰ দখলত ৰাখিছে।

০০০০০০০

বোকাখাতৰ বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি কমল দাসৰ আজি দুপৰীয়া নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। তেখেত অসম গণ পৰিষদৰ অতি পুৰণি নিষ্ঠাবান কৰ্মীৰ লগতে একশৰণ ভাগৱতী সমাজ আৰু অনুসূচিত জাতি পৰিষদৰো এগৰাকী অগ্ৰণী কৰ্মী আছিল। তেওঁৰ মৃত্যুত সমগ্ৰ বোকাখাত অঞ্চলতে শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**